# 'জেংৰাই কবি'ৰ জন্ম শতবৰ্ষৰ সামৰণী অনুষ্ঠান-বক্তৃতানুষ্ঠান

**প্ৰতিদিন বিশেষ সেৱা, গুৱাহাটী, ২০ আগষ্ট ঃ** আধুনিক অসমীয়া কবিতাৰ উজ্জ্বল নক্ষত্ৰ অজিৎ বৰুৱাৰ জন্ম-শতবৰ্ষৰ সামৰণী অনুষ্ঠান কালি গুৱাহাটীৰ দিছপুৰ মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। একাধাৰে কবি, ঔপন্যাসিক, সমালোচক, অনুবাদক অজিৎ বৰুৱাৰ শতবৰ্ষীয় ওপজা দিনটোতে আয়োজন কৰা হয় একাদশ বাৰ্ষিক অজিৎ বৰুৱা স্মাৰক বক্তৃতানুষ্ঠান। দিছপুৰ মহাবিদ্যালয়ৰ সহযোগত অজিৎ বৰুৱাৰ অনুৰাগী সমাজে আয়োজন কৰা এই অনুষ্ঠানত একাদশ বাৰ্ষিক অজিৎ বৰুৱা স্মাৰক বক্তৃতা আগবঢ়ায় প্ৰসিদ্ধ সমালোচক, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন অধ্যাপক ড° পোনা মহন্তই। 'অসমীয়া কবিতাত টি এছ এলিয়ট ঃ অজিৎ বৰুৱাৰ বিশেষ প্ৰসংগৰে' বিষয়ত ভাষণ প্ৰদান কৰি ড° মহন্তই কয়— 'চল্লিশ-পঞ্চাশৰ দশকলৈকে অসমীয়া কবিতা প্ৰধানকৈ প্ৰেমসৰ্বস্ব ৰোমাণ্টিকধৰ্মী, ভাববিলাসী আছিল। এই সময়ছোৱাৰ পৰাই অসমীয়া কবিতাই সুঁতি সলনি কৰিবলৈ ধৰে।' স্মাৰক বক্তৃতা আগবঢ়াই ড° মহন্তই লগতে কয়— 'অসমীয়া কবিতাত টি এছ এলিয়টৰ উপস্থিতি বা প্ৰভাৱ সম্পৰ্কে অ'ত-ত'ত কিছু চৰ্চা হৈছে যদিও সামগ্ৰিকভাৱে বিষয়টোৰ সম্ভাব্য সকলো দিশ সামৰি বস্তুনিষ্ঠ, পাঠভিত্তিক তথ্যসমৃদ্ধ আলোচনাৰ পথ এতিয়া খোলা। সাহিত্য বা কবিতা সম্পৰ্কে এনে আলোচনা ইংৰাজীত ক'বলৈ হ'লে 'অপেন এন্দেদ' অৰ্থাৎ ইয়াৰ কোনো নিৰ্দিষ্ট সীমা বা অন্ত নাই, বিভিন্নজনে বিভিন্ন ধৰণে ব্যাখ্যা দি নিজৰ পথেদি পোনাই নিব পাৰে।' জেংৰাই কবি' অজিৎ বৰুৱাৰ জন্ম-শতবৰ্ষৰ সামৰণী অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি এটি মনোজ্ঞ ভাষণ আগবঢ়ায় শিক্ষাবিদ ড° অমৰজ্যোতি চৌধুৰীয়ে। অনুষ্ঠানত আবৃত্তিকাৰ, ঘোষক অৱনী বৰাই পাঠ কৰে অজিৎ বৰুৱাই সাহিত্য অকাডেমী বঁটা গ্ৰহণ কৰি দিয়া ভাষণটি। অজিৎ বৰুৱাৰ কেইটিমান নিৰ্বাচিত অনুবাদ কবিতা আবৃত্তি কৰে মেল'ডী পাটগিৰিয়ে। অজিৎ বৰুৱাৰ এটি গীত পৰিবেশন কৰে দিছপুৰ মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ সহকাৰী অধ্যাপক দিম্পী কলিতাই। অনুষ্ঠানত অজিৎ বৰুৱা অনুৰাগী সমাজৰ সভাপতি ৰাজীৱ বৰুৱায়ো চমু বক্তব্য আগবঢ়ায়। দিছপুৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ইন্দ্ৰাণী চৌধুৰী মহন্তই আদৰণী ভাষণ দিয়া অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক বৰ্ণালী বৰাই। সমগ্ৰ অনুষ্ঠানটো পৰিচালনা কৰে আবৃত্তিকাৰ-ঘোষক কাকলি বৰাই। দিছপুৰ মহাবিদ্যালয়-সংগীতেৰে আৰম্ভ হোৱা অজিৎ বৰুৱা জন্ম-শতবৰ্ষৰ সামৰণী অনুষ্ঠান তথা একাদশ বাৰ্ষিক অজিৎ বৰুৱা স্মাৰক বক্তৃতানুষ্ঠানটি সামৰণি পৰে জাতীয় সংগীত পৰিবেশনেৰে।



# শিৱসাগৰৰ বন্যাৰ্তক সাহায্য

**প্ৰতিদিন বিশেষ সেৱা, নাজিৰা, ২০ আগষ্ট ঃ** প্ৰলয়ংকৰী বানে বিধ্বস্ত কৰা শিৱসাগৰৰ দৰিকা কৈৱৰ্ত গাঁৱত অজি উপস্থিত হ'ল এসময়ৰ ডব্লিউ ডব্লিউ ই ৰ অপ্ৰতিদ্বন্দ্বী নায়ক দা গ্ৰেট খালি। ডব্লিউ ডব্লিউ ই ৰিঙত প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে কঠোৰ ৰূপে জনাজাত দা গ্ৰেট খালিক আজি দেখা গ'ল এক ভিন্ন ৰূপত, সেয়া হৈছে এগৰাকী মানৱদৰদী ব্যক্তিৰূপে। বানত সৰ্বস্ব হেৰুৱাই দুখ-বেদনাৰে জৰ্জৰিত দৰিকা কৈৱৰ্ত গাঁৱৰ ৰাইজৰ মাজত উপস্থিত হৈ খালিয়ে বানপীড়িত লোকসকলৰ লগত মত বিনিময় কৰি ক্ষয়-ক্ষতিৰ বুজ লয়।

## বৰভাগ কলেজ

# দুমাহৰ

**প্ৰতিদিন সেৱা, বৰভাগ, ২০ আগষ্ট ঃ** নলবাৰীৰ বৰভাগ মহাবিদ্যালয়ত বিত্তীয় কেলেংকাৰী সংঘটিত হোৱাৰ অভিযোগ উত্থাপনৰ প্ৰায় দুমাহ পাৰ হৈ যোৱাৰ পিচতো উচ্চ শিক্ষা সঞ্চালকালয়ৰ ৰহস্যজনক নীৰৱতাক লৈ সন্দিহান হৈ পৰিছে সচেতন মহলৰ লগতে শিক্ষাৰ্থী সমাজ। উল্লেখ্য যে বিগত পঁচিশ জুনত বৰভাগ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰফুল্ল ডেকা আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষ অজিত কুমাৰ শৰ্মাই সংবাদ মাধ্যমৰ সন্মুখত পূৰ্বৰ অধ্যক্ষ ড° বিৰিঞ্চি চৌধুৰীৰ বিৰুদ্ধে ব্যাপক বিত্তীয় খেলিমেলিৰ অভিযোগ উত্থাপন কৰাৰ পিচতে অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। মহাবিদ্যালয়খনত বিগত ২০২৩ বৰ্ষৰ পৰা কাৰ্যকৰী হৈ থকা প্ৰধানমন্ত্ৰী কৌশল বিকাশ যোজনাৰ বাবে পৰিচালনা সমিতিৰ অনুমোদনমৰ্মে অধ্যক্ষ বিৰিঞ্চি চৌধুৰীয়ে 'বেংক অব্ মহাৰাষ্ট্ৰ'ত এটা বেংক একাউণ্ট খোলে যদিও মহাবিদ্যালয় এৰাৰ সময়ত বেংকৰ সবিশেষ মহাবিদ্যালয় কৰ্তৃপক্ষক প্ৰদান নকৰাৰ অভিযোগ উত্থাপন হৈছিল। পৰৱৰ্তী সময়ত ভাৰপ্ৰাপ্ত অধ্যক্ষ অজিত কুমাৰ শৰ্মাৰ আবেদনৰ ভিত্তিত বেংক কৰ্তৃপক্ষই সবিশেষ তথ্য প্ৰদান কৰাৰ পিচতে একাউণ্টটোত আঁচনিখনৰ